**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-03-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। ইৰাণ আৰু ইজৰাইল-আমেৰিকাৰ যুটীয়া বাহিনীৰ ক্ষেপণাস্ত্ৰ আৰু ড্ৰ'ণ আক্ৰমণৰ ফলত পশ্চিম এছিয়াৰ সংঘৰ্ষ তীব্ৰতৰ হৈ উঠিছে।

২। ভাৰতে পশ্চিম এছিয়াৰ সংঘৰ্ষ আলোচনা আৰু কূটনীতিৰ মাজেৰে সমাধান কৰাৰ বাবে পুনৰ আহ্বান জনাইছে।

৩। ইৰাণত থকা ভাৰতীয় দূতাবাসে যুদ্ধৰ ফলত সৃষ্টি হোৱা বৰ্ধিত বিপদাশংকালৈ চাই টেহ্ৰাণত থকা অধিকাংশ ভাৰতীয় শিক্ষাৰ্থীক চহৰখনৰ বাহিৰৰ নিৰাপদ স্থানলৈ স্থানান্তিৰত কৰিছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে উপকূলৰক্ষী বাহিনীৰ বাবে অত্যাধুনিক লঘু হেলিকপ্তাৰ আৰু নৌ সেনা বাহিনীৰ বাবে ক্ষেপণাস্ত্ৰ ক্ৰয় কৰাৰ বাবে মুঠ ৫ হাজাৰ ৮৩ কোটি টকাৰ চুক্তিত স্বাক্ষৰ কৰিছে।

*আৰু*

৫। ডবাৰ বিশ্ব চেম্পিয়ন গুকেশ ডম্মাৰাজুৱে ফিডেৰ শেহতীয়া ক্ৰম তালিকাত শীৰ্ষৰ ১০ গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ কৰিছে।

ooooo

ইৰাণ আৰু ইজৰাইল-আমেৰিকাৰ যুটীয়া বাহিনীৰ ক্ষেপণাস্ত্ৰ আৰু ড্ৰ'ণ আক্ৰমণৰ ফলত পশ্চিম এছিয়াৰ সংঘৰ্ষ তীব্ৰতৰ হৈ উঠিছে। শেহতীয়া বাতৰি অনুসৰি, ইজৰাইলে টেহৰাণ আৰু বেৰুটৰ সামৰিক ঘাটিসমূহক লক্ষ্য কৰি একেলগে আক্ৰমণ আৰম্ভ কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে প্ৰকাশ কৰা মতে, তেওঁলোকৰ সৈনিকসকলক অগ্ৰিম প্ৰতিৰক্ষা ৰণকৌশলৰ অংশ হিচাপে দক্ষিণ লেবাননৰ সীমামূৰীয়া এলেকাসমূহত নিয়োগ কৰা হৈছে। ইজৰাইলে হিজবুল্লাহৰ আন্তঃগাঁথনিসমূহক লক্ষ্য কৰি আক্ৰমণ চলাই আছে বুলি দেশখনৰ প্ৰতিৰক্ষা বাহিনীসমূহে দাবী কৰিছে। ইজৰাইলে লগতে হিজবুল্লাই ইৰাণৰ শাসক পক্ষৰ হৈ ইজৰাইলৰ ওপৰত আক্ৰমণ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে দেশখনৰ আক্ৰমণত বেৰুটত পেলেইষ্টাইনী ইছলামিক জিহাদ গোটৰ কামাণ্ডাৰ আবু হমজা ৰামী নিহত হোৱা বুলি নিশ্চিত কৰিছে। আবু হমজাৰ মৃত্যুৰ ফলত পেলেষ্টাইনী ইছলামিক জিহাদ গোট

দুৰ্বল হোৱা বুলি কোৱা হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীসমূহে অন্য এটা আক্ৰমণত বেৰুটত হিজবুল্লাহৰ চোৰাংচোৱাৰ মুখ্য কাৰ্য্যালয়ৰ মুৰব্বী হুছেইন মকলডক নিহত কৰিছে। ইফালে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় কামাণ্ডে আমেৰিকাৰ বাহিনীসমূহে ইছলামিক ৰেভিউলুছনাৰী গাৰ্ড ক'ৰৰ কামাণ্ড আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ, ইৰাণৰ বায়ু প্ৰতিৰক্ষা সামৰ্থ্য, ক্ষেপণাস্ত্ৰ আৰু ড্ৰ'ণ উৎক্ষেপণ স্থল আৰু সামৰিক ঘাটি নষ্ট কৰা বুলি জানিবলৈ দিছে। কেন্দ্ৰীয় কামাণ্ডে সামাজিক মাধ্যমযোগে আমেৰিকাই ইৰাণৰ শাসক গোষ্ঠীয়ে কঢ়িয়াই অনা ভাবুকি প্ৰতিহত কৰাৰ বাবে নিৰ্ণায়ক ব্যৱস্থা অব্যাহত ৰাখিব বুলি প্ৰকাশ কৰিছে। সংঘৰ্ষত এতিয়ালৈকে আমেৰিকাৰ ছজন সৈনিকে প্ৰাণ হেৰুৱাইছে।

ইপিনে, ইৰাণৰ চৰকাৰী সংবাদ মাধ্যমে প্ৰকাশ কৰা মতে, সংঘৰ্ষত বাহৰেইনত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা ঘাটিৰ কামাণ্ড ভৱন বিধ্বস্ত হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাবে থকা বাহৰেইনৰ ৰাষ্ট্ৰদূত আব্দুল্লা বিন ৰাছিদ বিন আব্দুল্লা অল খালিফাই বাহৰেইনৰ বায়ু প্ৰতিৰক্ষা প্ৰণালী ধ্বংস কৰাৰ লক্ষ্যৰে নিক্ষেপ কৰা ইৰাণৰ ৭০ টা বেলিষ্টিক ক্ষেপণাস্ত্ৰ আৰু ৫৯ টা ড্ৰ'ণ ধ্বংস কৰা বুলি দাবী কৰিছে। তেওঁ লগতে টেহৰাণে বাহৰেইনৰ অসামৰিক স্থানক লক্ষ্য কৰি আক্ৰমণ চলোৱা বুলিও অভিযোগ উত্থাপন কৰিছে।

আন্তঃৰাষ্ট্ৰীয় আণৱিক শক্তি সংস্থা আই এ ইয়ে কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে লাভ কৰা শেহতীয়া প্ৰতিচ্ছৱিৰ পৰ্য্যালোচনা কৰি নাটাঞ্জত থকা ইৰাণৰ পাৰমাণৱিক স্থলৰ পৰিকাঠামোৰ ক্ষতি হোৱা বুলি নিশ্চিত কৰিছে। ৰাষ্ট্ৰসংঘৰ সংস্থাটোৱে এটা বিবৃতিযোগে পাৰমাণৱিক স্থলীৰ পৰা বিকিৰণৰ কোনো সংকেত নাই বুলি আৰু ভূমিৰ তলত থকা ইউৰেনিয়াম সমৃদ্ধকৰণ মূল প্ৰকল্পত কোনো ধৰণৰ প্ৰভাৱ পৰা নাই বুলি প্ৰকাশ কৰিছে।

ooooo

ভাৰতে পশ্চিম এছিয়াৰ সংঘৰ্ষ আলোচনা আৰু কূটনীতিৰ মাজেৰে সমাধান কৰাৰ বাবে পুনৰ আহ্বান জনাইছে। বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে আজি কয়, যে ভাৰত শীঘ্ৰেই এই সংঘৰ্ষৰ অৱসানৰ পক্ষপাতী। তেওঁ লগতে এই সংঘৰ্ষৰ ফলত ভালেসংখ্যক লোকৰ প্ৰাণ নাশক লৈ গভীৰ শোক প্ৰকাশ কৰে। মুখপাত্ৰগৰাকীয়ে কয়, যে পাৰস্য উপসাগৰীয় অঞ্চলত ভাৰতৰ প্ৰায় ১ কোটি লোক আছে আৰু তেওঁলোকৰ কল্যাণ আৰু সুৰক্ষা চৰকাৰৰ বাবে অগ্ৰাধিকাৰৰ বিষয়। তেওঁ কয়, যে ভাৰতে তেওঁলোকৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিব পৰা কোনো ঘটনাক্ৰমক লৈ উদাসীন হৈ থাকিব নোৱাৰে। ব্যৱসায় আৰু শক্তি যোগান শৃংখলাও অঞ্চলটোৰে পাৰ হৈ যায় বুলি উল্লেখ কৰি মুখপাত্ৰগৰাকীয়ে কয়, যে যোগান শৃংখলা বাৰুকৈ ব্যাহত হ'লে ভাৰতীয় অৰ্থ-ব্যৱস্থাৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব পাৰে। ভাৰতে ব্যৱসায়িক জাহাজক লক্ষ্য কৰি চলোৱা আক্ৰমণৰ বিৰোধিতা কৰে বুলিও তেওঁ মন্তব্য কৰে। শ্ৰীজয়ছোৱালে কয়, যে যোৱা কেইটামান দিনত এই আক্ৰমণৰ ফলত কেইগৰাকীমান ভাৰতীয় নাগৰিকে প্ৰাণ হেৰুৱাইছে অথবা সন্ধানহীন হৈ আছে। বিগত কেইটামান দিনত সংঘৰ্ষ তীব্ৰতৰ হৈ অন্য দেশলৈও সম্প্ৰসাৰিত হোৱা বুলি তেওঁ মন্তব্য কৰে। ভাৰতে ২৮ ফেব্ৰুৱাৰীত ইৰাণ আৰু পাৰস্য উপসাগৰীয় অঞ্চলত সংঘৰ্ষৰ সূত্ৰপাতক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। ভাৰতে সকলো পক্ষকে সংযম বৰ্তাই ৰাখিবলৈ আৰু উত্তেজনা বৃদ্ধি নকৰিবলৈ তথা নাগৰিকসকলৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছিল।

ooooo

ইৰাণত থকা ভাৰতীয় দূতাবাসে যুদ্ধৰ ফলত সৃষ্টি হোৱা বৰ্ধিত বিপদাশংকালৈ চাই টেহৰাণত থকা অধিকাংশ ভাৰতীয় শিক্ষাৰ্থীক চহৰখনৰ বাহিৰৰ নিৰাপদ স্থানলৈ স্থানান্তিৰত কৰিছে। দূতাবাস কৰ্তৃপক্ষই এই লোকসকলৰ বাবে যাতায়াত, খাদ্য আৰু থকা-মেলাৰ ব্যৱস্থা কৰিছে। দূতাবাসৰ প্ৰস্তাৱ গ্ৰহণ নকৰা একেবাৰে কম সংখ্যক বিদ্যাৰ্থীহে এতিয়াও টেহৰাণতে আছে।

দূতাবাসে এতিয়াও ইৰাণত থকা অন্য ভাৰতীয় শিক্ষাৰ্থী আৰু নাগৰিকসকলক যথাসম্ভৱ ঘৰৰ ভিতৰতে থাকিবলৈ আৰু খিৰিকীৰ পৰা আঁতৰত থাকিবলৈ আহ্বান জনাইছে। তেওঁলোকক যাৱতীয় সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু প্ৰদৰ্শন অথবা প্ৰতিবাদৰ এলেকাৰ পৰা আঁতৰি থাকিবলৈও কোৱা হৈছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰালয়ে উপকূলৰক্ষী বাহিনীৰ বাবে এম কে থ্ৰি শ্ৰেণীৰ ছখন উন্নত লঘু হেলিকপ্তাৰ আৰু নৌ সেনা বাহিনীৰ বাবে ভূ-পৃষ্ঠৰ পৰা আকাশমাৰ্গলৈ উলম্বভাৱে নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰ ক্ৰয় কৰাৰ বাবে মুঠ ৫ হাজাৰ ৮৩ কোটি টকাৰ চুক্তিত স্বাক্ষৰ কৰিছে। নতুন দিল্লীত আজি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙৰ উপস্থিতিত এই চুক্তি সম্পাদিত হয়। ইয়াৰ ভিতৰত উন্নত লঘু হেলিকপ্তাৰ আৰু সঞ্চালন আহিলা ক্ৰয়ৰ বাবে বেংগালুৰুৰ হিন্দুস্থান এৰ'নেটিকছ্ লিমিটেডৰ সৈতে হোৱা দুহেজাৰ ৯০১ কোটি টকাৰ চুক্তি অন্যতম। দ্বৈত ইঞ্জিনযুক্ত এই হেলিকপ্তাৰ বৰ্তমানৰ হেলিকপ্তাৰতকৈ অধিক অত্যাধুনিক সা-সুবিধাৰে সুসজ্জিত। এই হেলিকপ্তাৰৰ অন্তৰ্ভুক্তিৰ ফলত কৃত্ৰিম দ্বীপপুঞ্জ, উপকূলৰ সমীপৰ প্ৰতিষ্ঠান, মাছমৰীয়া তথা সামুদ্ৰিক পৰিৱেশৰ সুৰক্ষাৰ ক্ষেত্ৰত উপকূলৰক্ষী বাহিনীৰ সামৰ্থ্য যথেষ্ট বৃদ্ধি পাব।

প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে, ৰাছিয়াৰ জে এছ্ চি ৰ'ছ্'ব'ৰ'ন এক্সপোৰ্টৰ সৈতে দুহেজাৰ ১৮২ কোটি টকা মূল্যৰ ভূ-পৃষ্ঠৰ পৰা আকাশমাৰ্গলৈ উলম্বভাৱে নিক্ষেপ কৰিব পৰা ক্ষেপণাস্ত্ৰ ক্ৰয়ৰ চুক্তি সম্পাদন কৰা হৈছে। আকাশমাৰ্গেৰে আহিব পৰা বিভিন্ন ভাবুকি প্ৰতিহত কৰাৰ বাবে আগশাৰীৰ যুদ্ধ জাহাজসমূহৰ সামৰ্থ্য বৃদ্ধিৰ বাবে এই ক্ষেপণাস্ত্ৰ ক্ৰয় কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই চুক্তিয়ে পাৰস্পৰিক আস্থা আৰু কৌশলগত সমন্বয়ৰ ভিত্তিত ভাৰত আৰু ৰাছিয়াৰ মাজত দীৰ্ঘদিনৰে পৰা থকা প্ৰতিৰক্ষা সহযোগিতা অধিক সুদৃঢ় কৰি তুলিব বুলি আশা কৰা হৈছে।

ooooo

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু ৰাজ্য মন্ত্ৰী চন্দ্ৰশেখৰ পেম্মাচ্চানীয়ে আজি নতুন দিল্লীৰ সংসদ ভৱনত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণক দেখা কৰে। বৈঠকত উপ-ৰাষ্ট্ৰপতিগৰাকীক সকলোৰে বাবে বাসগৃহ, গ্ৰাম্য কৰ্ম-সংস্থাপন, দক্ষতা বিকাশ আৰু সামৰ্থ্য বৃদ্ধি আৰু সমূহীয়া আন্তঃগাঁথনিকে ধৰি গ্ৰামাঞ্চলৰ ৰূপান্তৰ আৰু জন কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন উদ্যমৰ বিষয়ে অৱগত কৰোৱা হয়। বিকশিত ভাৰত গ্ৰাম্য কৰ্ম-সংস্থাপন নিশ্চয়তা আৰু জীৱিকা অভিযান, প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা, দীনদয়াল অন্ত্যোদ্যয়া যোজনা, প্ৰধানমন্ত্ৰী গ্ৰাম্য আৱাস যোজনা আৰু অন্য ধ্বজাবাহী আঁচনিসমূহৰ বিষয়ে তেওঁক অৱগত কৰোৱা হয়। সাক্ষাৎকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে গ্ৰামাঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা ৰূপান্তৰকামী উদ্যমসমূহৰ বাবে গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ ভূয়সী প্ৰসংশা কৰে।

ooooo

ডবাৰ বিশ্ব চেম্পিয়ন গুকেশ ডম্মাৰাজুৱে ২০২৬ৰ মাৰ্চৰ ফিডে ৰেংকিঙত শীৰ্ষ ১০ জনৰ ভিতৰত স্থান লাভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় ডবা ফেডাৰেচনে কালি সংশোধন কৰা তালিকাত ৰাছিয়াৰ গ্ৰেণ্ড মাষ্টাৰ চাৰ্গে কাৰ্জাকিনক তালিকাৰ পৰা অৱনমিত কৰাত ফিডেৰ ৰেংকিঙত গুকেশে স্থান লাভ কৰে। ফিডেই

এখন বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে, ৰাছিয়াৰ ডবা খেলুৱৈগৰাকীয়ে ফেডাৰেচনৰ প্ৰয়োজনীয় নীতি-নিয়ম মানি চলা নাছিল যদিও তেওঁক ভুলক্ৰমে তালিকাত স্থান দিয়া হৈছিল।

ooooo

বাৰ্মিংহামত আজিৰ পৰা অল ইংলেণ্ড বেডমিণ্টন চেম্পিয়নশ্বিপ আৰম্ভ হৈছে। ভাৰতৰ লক্ষ্য সেন আৰু সাত্ত্বিক সাইৰাজ ৰণকী ৰেড্ডী আৰু চিৰাগ চেট্টিয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছে। অলিম্পিকত দুবাৰ পদক বিজয়ী পি ভি সিন্ধুৱে পশ্চিম এছিয়াৰ সংঘাতৰ ফলত ডুবাই বিমান বন্দৰত আৱদ্ধ হৈ পৰাত পুনৰ দেশলৈ উভতি অহাত এই প্ৰতিযোগিতাত ভাগ লোৱাৰ পৰা বঞ্চিত হয়। পুৰুষৰ একক শাখাত লক্ষ্য সেনে আজি সন্ধিয়া নিজৰ প্ৰথমখন খেলত বিশ্বৰ ১ নম্বৰ স্থানৰ চীনৰ চেম্পিয়ন শ্বি য়ু কীৰ মুখামুখি হ'ব।

ooooo

সমাপ্ত